**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 30-**06-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। পুৱাৰ ভাগত ড° শৰ্মাই ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ আৰু আঠখেলীয়াৰ ত্ৰিশূলধাৰী মন্দিৰ দৰ্শন কৰে। ইয়াৰ পাছত তেওঁ গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়াম মুকলি কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নৱনিৰ্মিত গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পও মুকলি কৰিব।

ইফালে, শিৱসাগৰ জিলা ভ্ৰমণ সামৰি কালি তেওঁ যোৰহাটত উপস্থিত হোৱাৰ পাছত যোৰহাট অভিৰৰ্তন কেন্দ্ৰত সমাজৰ অগ্ৰণী ব্যক্তিসকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকৰ পৰা লাভ কৰা বিভিন্ন দিহা-পৰামৰ্শ পৰৱৰ্তী সময়ত বাস্তৱত ৰূপায়িত কৰিবলৈ চেষ্টা কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন কাইলৈ আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব। প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ লগতে সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

ooooooo

আকাশবাণী তেজপুৰ কেন্দ্ৰই কাইলৈ গৌৰৱোজ্জ্বল ২৫ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰাৰ উপলক্ষে তেজপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি ৰূপালী জয়ন্তী সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া ৬ বজাত আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ-পূব ক্ষেত্ৰৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

ooooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৰেই কেইবাখনো দূৰণিবতীয়া ৰে'লগাড়ী সম্পূৰ্ণকৈ বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ১২৪২৪ আৰু ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ, গুৱাহাটী আৰু হাওৰাৰ মাজত মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ, ৰাজেন্দ্ৰ নগৰ আৰু কামাখ্যাৰ মাজৰ কেপিটেল এক্সপ্ৰেছ, শিলঘাট আৰু কলকাতাৰ মাজৰ সাপ্তাহিক কাজিৰঙা এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ সম্পূৰ্ণ যাত্ৰা পথত বৈদ্যুতিক ইঞ্জিন ব্যৱহাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰ্যায়ক্ৰমে আন কেইবাখনো ৰে'লগাড়ীও সম্পূৰ্ণৰূপে বৈদ্যুতিক ইঞ্জিনেৰে চলোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰই জনাইছে। ইয়াৰ ফলত ডিজেলৰ বাবদ ব্যয় হোৱা বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱাৰ লগতে বায়ু প্ৰদূষণো বহুখিনি নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

মাজুলীৰ কমলাবাৰী ঘাটৰ পৰা নিমাতি ঘাটলৈ যাত্ৰা কৰা এছ বি প্ৰীতিশ নামৰ ফেৰীখন আজি পুৱাৰ ভাগত ব্ৰহ্মপুত্ৰৰ বালিচৰত লাগি ধৰে। ইফালে, কালি ব্ৰহ্মপুত্ৰৰ মাজত এছ বি জলতৰি নামৰ আন এখন  ফেৰী আবদ্ধ হৈ পৰাত যাত্ৰীৰ মাজত হাহাকাৰ লাগে। সেয়েহে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে কমলাবাৰী ঘাট অস্থায়ীভাৱে বন্ধ ঘোষণা কৰিছে। কমলাবাৰী ঘাটৰ পৰা নিমাতীঘাটলৈ অহা-যোৱা কৰা যাত্ৰীসকলক অফলামুখ ঘাটেৰে জল পৰিবহণ বিভাগে যাত্ৰাৰ ব্যৱস্থা কৰিছে।

০০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ'ৰ কাৰ্বি লাংপি নদীত আজি পুৱাৰ ভাগত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। কাৰ্বি লাংপি নৈৰ লংজাপ ঘাটত উদ্ধাৰ হোৱা মৃতদেহটো বৈঠালাংছ'ৰ দিশৰ পৰা উটি আহিছে বুলি স্থানীয় ৰাইজে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো ডিফুৰ চৰকাৰী হাস্পতাললৈ প্ৰেৰণ কৰিছে।

০০০০০০০

**সমাপ্ত**